**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-06-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

২। অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ আজি দ্বিতীয় দিনাও নৱ-নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ অব্যাহত আছে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা ওম বিৰলা অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী হ'ব। বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে।

৪। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত বাণিজ্য আৰু সেৱাখণ্ডৰ প্ৰতিনিধিসকলৰ সৈতে অনুষ্ঠিত সপ্তমলানি প্ৰাক্-বাজেট আলোচনাত অধ্যক্ষতা কৰে।

আৰু

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা দলসমূহ নিশ্চিত হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এই দিনটোৱে আমাক কংগ্ৰেছে কিদৰে বুনিয়াদী স্বাধীনতা খণ্ডন কৰিছিল আৰু প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সন্মানৰ সংবিধান অমান্য কৰিছিল, সেই কথা সোঁৱৰাই দিয়ে। তেওঁ কয় যে সেই সময়ৰ কংগ্ৰেছ চৰকাৰে সকলো গণতান্ত্ৰিক নীতি বিসৰ্জন দি সমগ্ৰ ৰাষ্ট্ৰক এখন কাৰাগাৰত পৰিণত কৰিছিল। শ্ৰী মোদীয়ে কয় যে জৰুৰীকালীন অৱস্থা বলৱৎ কৰাসকলৰ সংবিধানৰ প্ৰতি মৰমক লৈ ভাষণ দিয়াৰ কোনো অধিকাৰ নাই। এই একেসকল লোকেই কেইবাবাৰো ৩৫৬ নম্বৰ অনুচ্ছেদ বলৱৎ কৰাৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰিছিল, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ধবংস কৰিছিল আৰু সংবিধানৰ প্ৰতিটো দিশ উলংঘা কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে এইবুলি অভিযোগ কৰে যে যি মানসিকতাৰ বাবে কংগ্ৰেছ দলে জৰুৰীকালীন অৱস্থা বলৱৎ কৰিছিল, সেই মানসিকতা দলটোৰ মাজত এতিয়াও বিদ্যমান।

০০০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ আজি দ্বিতীয় দিনাও নৱ-নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ অব্যাহত আছে। আজি পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ এডভোকেট গোৱাল কাগড়াই হিন্দীত শপত লয়। আজি শপত গ্ৰহণ কৰা সদস্যসকলৰ ভিতৰত কংগ্ৰেছৰ বচ্ছৰ শোভা, বিজেপিৰ স্মিতা উদয় ৱাঘ, অনুপ সঞ্জয় ধোত্ৰেই, কংগ্ৰেছৰ বলৱন্ত বাসৱন্ত ৱানখেড়ে, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ অমৰ শৰদৰাৱ কালে, কংগ্ৰেছৰ শ্যাম কুমাৰ দৌলত বাৰৱে, শিৱসেনাৰ ড° শ্ৰীকান্ত একনাথ সিন্দে, নৰেশ গণপত মহস্কে আৰু অন্যান্যসকলে শপত গ্ৰহণ কৰে। উল্লেখযোগ্য যে কালি মুঠ ২৬৬ গৰাকী সাংসদে শপত লৈছিল। আজি বাকী সাংসদসকলে শপত ল'ব।

০০০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা ওম বিৰলা অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী হ'ব। আনহাতে, বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে।

দুয়োগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। অধ্যক্ষৰ নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে চৰকাৰ আৰু বিৰোধী পক্ষই অধ্যক্ষ পদৰ প্ৰাৰ্থীক লৈ সহমতত উপনীত হোৱাত ব্যৰ্থ হয়। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ আৰু পীয়ুষ গোৱেলে কংগ্ৰেছ দলৰ নেতা কে চি বেণুগোপাল আৰু ডি এম কেৰ টি আৰ বালুৰ সৈতে বিষয়টো সন্দৰ্ভত বৈঠকত মিলিত হয় যদিও বিৰোধী পক্ষই শ্ৰী বিৰলাৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ পূৰ্বে উপাধ্যক্ষৰ নাম ঘোষণা কৰাৰ দাবীক লৈ অটল হৈ থাকে। শ্ৰী গোৱেলে কয় যে বিৰোধী পক্ষক উপাধ্যক্ষ নিৰ্বাচনৰ সময়ত বিষয়টো লৈ আলোচনা কৰা হ'ব বুলি অৱগত কৰোৱা হয়। তেওঁ কয় যে বিৰোধী পক্ষই অধ্যক্ষৰ নিৰ্বাচনক লৈ আগবঢ়োৱা চৰ্তসমূহ চৰকাৰে প্ৰত্যাখ্যান কৰে। ইফালে, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয় যে বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীলৈ সমৰ্থন আগবঢ়াবলৈ সাজু কিন্তু এনে হ'লে উপাধ্যক্ষ পদৰ প্ৰাৰ্থীগৰাকী বিৰোধী পক্ষৰ হ'ব লাগিব। সংসদ ভৱন চৌহদত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে ৰাজনাথ সিঙে মল্লিকাৰ্জুন খাৰ্গেক সাক্ষাৎ কৰিছে আৰু অধ্যক্ষ পদৰ বাবে সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে।

000000000

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সভাপতিত্বত আজি নতুন দিল্লীত সমাগত সাধাৰণ বাজেটৰ বাবে প্ৰাক্-বাজেট আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰী, মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতা ভি অনন্থ নাগেশ্বৰন, বিত্ত বিভাগৰ সচিব টি ভি সোমানাথন আৰু অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিবৰ লগতে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ৰ সচিবো উপস্থিত থাকে। যোৱা সপ্তাহত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিত্তমন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হৈছিল। কৃষক সংঘৰ প্ৰতিনিধি আৰু কৃষি অৰ্থনীতিবিদসকলৰ সৈতেও বিত্তমন্ত্ৰী আলোচনাত মিলিত হৈছিল। ইয়াৰ পূৰ্বে মন্ত্ৰী নিৰ্মলা সীতাৰমনে উদ্যোগ খণ্ডৰ আগশাৰীৰ বিশেষজ্ঞ আৰু অৰ্থনীতিবিদসকলৰ সৈতেও আলোচনাত বহিছিল।

000000000

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ জৰিয়তে স্বচ্ছ আৰু নিকা পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে গঠন কৰা উচ্চ পৰ্যায়ৰ বিশেষজ্ঞ কমিটীখনৰ প্ৰথমলানি বৈঠক সম্পন্ন হৈছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত সমিতিৰ অধ্যক্ষ ড° কে ৰাধাকৃষ্ণণে কৈছে যে সমিতিখনৰ প্ৰথম অগ্ৰাধিকাৰ হৈছে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ পৰা পৰামৰ্শ গ্ৰহণ কৰা। তেওঁ লগতে কৈছে যে সমিতিখনে ছাত্ৰ-ছাত্ৰীৰ অসুবিধা আৰু মানসিক চাপ কমোৱাৰ লক্ষ্যৰে শক্তিশালী আৰু স্বচ্ছ ব্যৱস্থাৱলী গঢ়ি তোলাৰ দিশতো চকু ৰাখিছে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে ইছ্ৰ'ৰ প্ৰাক্তন অধ্যক্ষ ড° কে ৰাধাকৃষ্ণনৰ নেতৃত্বত ৭ জনীয়া এখন সমিতি গঠন কৰিছে। এই সমিতিখনক ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ পৰীক্ষা প্ৰক্ৰিয়াত সংস্কাৰৰ পৰামৰ্শ দিয়াৰ দায়িত্ব দিয়া হৈছে, যাতে দক্ষতা বৃদ্ধি আৰু তথ্য সুৰক্ষা ব্যৱস্থাৰ মান উন্নত হয়। সমিতিখনে বৰ্তমানৰ প্ৰক্ৰিয়াসমূহৰ মূল্যায়ন কৰিব, উন্নয়নৰ পৰামৰ্শ দিব আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ স্পষ্ট ভূমিকা আৰু দায়িত্ব নিৰ্ধাৰণ কৰিব। ইয়াৰোপৰি সমিতিখনে বৰ্তমানৰ অভিযোগ নিৰাময় ব্যৱস্থাৰ মূল্যায়ন কৰি উন্নীতকৰণৰ প্ৰস্তাৱ আগবঢ়াব। এই সমিতিখনক শিক্ষা মন্ত্ৰ্যালয়ত প্ৰতিবেদন দাখিল কৰিবলৈ দুমাহৰ সময় দিয়া হৈছে।

000000000

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে।

নির্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ' ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে শুকুৰবাৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী-দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা দলসমূহ নিশ্চিত হৈছে। ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু আফগানিস্তানে ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। আফগানিস্তানে আজি কিংষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন ৰোমাঞ্চকৰ খেলত বাংলাদেশক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ৮ ৰানত পৰাস্ত কৰি চতুৰ্থটো দল হিচাপে ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১১৫ ৰান সংগ্ৰহ কৰে। খেলখনত বৰষুণে বিধি-পথালি দিয়াত বাংলাদেশৰ বাবে ১৯ অ'ভাৰত ১১৪ ৰানৰ সংশোধিত লক্ষ্য নিৰ্ধাৰণ কৰা হয়। প্ৰত্যুত্তৰত বাংলাদেশে ১৭ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। খেলখনত চাৰিটাকৈ উইকেট দখল কৰা আফগানিস্তানৰ নবীন-উল-হকক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত বৃহস্পতিবাৰে গায়ানাত হ'বলগীয়া ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০০০০

**সমাপ্ত**